# Departmental book release programme

Dated: 05.02.2023.

The book based on Language, Literature, Society & Culture of Nagarbera.

The Book was released by Syama Charan Thakuria, president of Governing Body of B. P. Chaliha College & Nagendra Narayan Dewan, retired Professor of Assamese department, B. P. Chaliha College.

Title of the Book : Nagarbera : Bhasa-Sahitya-Samaj-Sanskriti.

Publisher : Department of Assamese, B. P. Chaliha College, Nagarbera, Kamrup-781127 in association with Nitul Neog, Assam Book Trust, Panbazar, Guwahati-781001.

Editors : Bidyut Dutta, Shilpi Sharmah, Dr. Rumi Das & Ira Das.




GPS Map Camera
Nagarbera, Assam, India
4234+H6G, Nagarbera, Assam 781127, India
Lat 26.103911°
Long 91.005514°
05/02/23 11:33 AM GMT +05:30

# বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ সোণালী জয়ন্তী

**প্ৰতিবেদক, দক্ষিণ বৰপেটা, ৭ ফেব্ৰুৱাৰী ঃ** কামৰূপ জিলাৰ নগৰবেৰাৰ অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ সোণালী জয়ন্তী সামৰণী অনুষ্ঠান উপলক্ষে মহাবিদ্যালয়খনৰ অসমীয়া বিভাগে প্ৰকাশ কৰি উলিওৱা 'নগৰবেৰা ঃ ভাষা-সাহিত্য-সমাজ- সংস্কৃতি' গ্ৰন্থখন যোৱা ৫ ফেব্ৰুৱাৰীত মহাবিদ্যালয় প্ৰাংগণত শুভ উন্মোচন কৰে। বিভাগটোৰ সহকাৰী অধ্যাপক-অধ্যাপিকা ক্ৰমে— বিদ্যুৎ দত্ত, শিল্পী শৰ্মা, ড° ৰুমী দাস আৰু ইৰা দাসে সম্পাদনা কৰা গ্ৰন্থখন উন্মোচন কৰে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি তথা সোণালী জয়ন্তী উৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি শ্যামাচৰণ ঠাকুৰীয়া আৰু মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক নগেন্দ্ৰ নাৰায়ণ দেৱানে। গ্ৰন্থখন উন্মোচন কৰি অধ্যাপক দেৱানে কয় যে নগৰবেৰা ঃ ভাষা-সাহিত্য-সমাজ-সংস্কৃতি গ্ৰন্থখন নগৰবেৰা সম্পৰ্কীয় অধ্যয়নৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ সমল হোৱাৰ লগতে নগৰবেৰাৰ ভাষা-সাহিত্য-সমাজ-সংস্কৃতি সম্পৰ্কীয় গৱেষণাৰ ক্ষেত্ৰতো গ্ৰন্থখনে বিশেষ সহায় কৰিব। বিভাগটোৰ সহকাৰী অধ্যাপক ড° ৰুমী দাসে আঁত ধৰা অনুষ্ঠানটোত গ্ৰন্থখনৰ সম্পাদকসকলৰ লগতে বহুসংখ্যক গণ্য-মান্য ব্যক্তি আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। মহাবিদ্যালয়খনৰ চৌহদত থকা গছৰ তলত অনাড়ম্বৰভাৱে অনুষ্ঠিত হোৱা অনুষ্ঠানটোৱে জাক-জমকতাৰে পৰিপূৰ্ণ পৃথিৱীখনত এক নতুন বাৰ্তা বিলাব বুলি গ্ৰন্থখনৰ সম্পাদকসকলে আস্থা প্ৰকাশ কৰিছে। 'নগৰবেৰা ঃ ভাষা-সাহিত্য-সমাজ-সংস্কৃতি' গ্ৰন্থখনত অন্তৰ্ভুক্ত হৈছে নগৰবেৰাৰ ভাষা-সাহিত্য-সমাজ-সংস্কৃতি। এই আটাইকেইটা দিশ সামৰি ক্ষেত্ৰভিত্তিক অধ্যয়নৰে প্ৰস্তুত কৰা হৈছে কুৰিটাতকৈ অধিক গৱেষণাধৰ্মী প্ৰবন্ধ। এই গ্ৰন্থখনে নগৰবেৰা সম্পৰ্কীয় অধ্যয়নৰ ক্ষেত্ৰত বহুতো নতুন তথ্যৰ যোগান ধৰাৰ লগতে ভৱিষ্যতে এই বিষয়ত অধ্যয়ন আৰু গৱেষণাৰ ক্ষেত্ৰত অনুসন্ধিৎসু গৱেষকক গ্ৰন্থখনে বিশেষ সহায় কৰিব বুলি সম্পাদকসকলে জানিবলৈ দিয়ে। অসমৰ অগ্ৰণী প্ৰকাশন গোষ্ঠী অসম বুক ট্ৰাষ্টৰ সহযোগত মহাবিদ্যালয়খনৰ অসমীয়া বিভাগে উক্ত গ্ৰন্থখন প্ৰকাশ কৰি উলিয়াইছে।